৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

বাণী
ই কথা
মি ঘূৰি চাব
ন যাপন
চাব লাগিব
কিয়েৰ্কগাৰ্ড


# অসম আদিত্য

RNI REGN
ep
Portal
e-mail

ংখ্যা ৬৪ ■ ২৩ ফাগুন, ১৯৪৬ শক ■ শনিবাৰ, ৮ মাৰ্চ, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, March 8, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা


যদি স
তেন্তে ে
শৰ্কৰাৰ
ক্ষতি ক

## কানৈত কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

### সমল ব্যক্তি 'নীপা'ৰ প্ৰযুক্তি বিভাগৰ মুৰব্বী

**ষ্টাফ ৰিপৰ্টাৰ, ৭ মাৰ্চ ঃ** সমগ্ৰ বিশ্বতে প্ৰযুক্তিৰ উত্তৰণ ঘটিছে, আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চে মানুহৰ সভ্যতা, সংস্কৃতিকে পৰিৱৰ্তন কৰিবলৈ ধৰিছে। পৰিৱৰ্তনৰ এই সন্ধিক্ষণত শিকিব নিবিচৰা, শিকাব নিবিচৰা জাতিবোৰ বিলুপ্ত হৈ পৰিব। এনে চিন্তা-দৰ্শনেৰে কৃত্ৰিম বুদ্ধিমত্তাৰ (আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চ)ৰ সম্পৰ্কত বিস্তৃত আলোচনা কৰিবলৈ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ৮ আৰু ৯ মাৰ্চত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া কৰ্মশালা। মহাবিদ্যালয়খনত 'Integrating Generative AI, Interactive E-content and Advanced Technologies in Higher Education' শীৰ্ষক কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাখন অনুষ্ঠিত হ'ব।

মহাবিদ্যালয়ৰ কম্পিউটাৰ বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া কৰ্মশালাত আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চৰ জৰিয়তে পৃথিৱীখন কেনেকৈ সলনি হ'বলৈ ধৰিছে, অধ্যাপক-শিক্ষকসকলে কেনেকৈ তেওঁলোকৰ পাঠদানত শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ শিক্ষা ক্ষেত্ৰখনক উজলাই তুলিব পাৰে তাৰ ওপৰত বিশদ আলোচনা কৰি জ্ঞান বিনিময়ক লাভান্বিত কৰিব পাৰিব। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ভাৰত চৰকাৰৰ অধীনৰ ভাৰতবৰ্ষৰ শিক্ষা নীতি প্ৰস্তুত কৰণকে ধৰি উচ্চ শক্ষাৰ বিস্তাৰত শিক্ষণ-প্ৰশিক্ষণ, কৰ্মশালা, আলোচনা-চক্ৰ আদিৰে অহৰহ প্ৰয়াস কৰি থকা অন্যতম উচ্চ শিক্ষা প্ৰতিষ্ঠান National Institute of Educational Planning and Administration (NIEPA) (Deemed to be University)ৰ তথ্য প্ৰযুক্তি বিভাগৰ মুৰব্বী আৰু ই-শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ সভাপতি প্ৰাধ্যাপক কে শ্ৰীনিৱাস। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ ৮০ বছৰীয়া ইতিহাসত কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান, শিক্ষা নীতিকে ধৰি শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা NIEPA-ৰ তথ্য প্ৰযুক্তি বিভাগৰ মুৰব্বী আৰু ই-শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰকল্প ব্যৱস্থাপনা গোটৰ সভাপতি আৰু মুৰব্বীয়ে সমল ব্যক্তি হিচাপে থকা এয়াই প্ৰথম। মহাবিদ্যালয়খনত শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীক এই কৰ্মশালাই প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কত উপকৃত কৰিব। এক বিবৃতিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এই কৰ্মশালাৰ যোগেদি বিশ্বৰ প্ৰযুক্তি খণ্ডৰ পৰিৱৰ্তন আৰু ন ন উদ্ভাৱন, সৃষ্টি, উচ্চ শিক্ষাৰ ভূমিকা সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক অৱগত কৰাব লগতে NIEPA-ৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ উচ্চ শিক্ষানুষ্ঠানে দেশৰ উচ্চ শিক্ষাৰ উত্তৰণত কেনেকৈ ভূমিকা গ্ৰহণ কৰি আছে সেইবিষয়েও অৱগত হ'ব বুলি উল্লেখ কৰে। এই কৰ্মশালাত সকলোৰে সহযোগিতা কামনা কৰিছে অধ্যক্ষগৰাকীয়ে।